জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪৪/২০২১**

**বোকাখাতত অনুষ্ঠিত ৰাষ্ট্ৰীয় কৃষি উদ্যান শস্য মেলা-২০২১ৰ শুভ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ভাৰ্চুৱেলী অংশ গ্ৰহণ**

# ৰাজ্যখনৰ ৫৮ লাখ কৃষকক আগুৱাই নিয়াৰ বাবে চৰকাৰে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

# উৎপাদিত সামগ্ৰীৰ মূল সংযোজনেৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰাৰ বাবে কৃষকসকললৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গোলাঘাট জিলাৰ বোকাখাত ষ্টেডিয়ামত অনুষ্ঠিত ৰাষ্ট্ৰীয় কৃষি-উদ্যান শস্য মেলা-২০২১ ৰ শুভ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাকক্ষৰ পৰা ভাৰ্চুৱেলী অংশ গ্ৰহণ কৰে। কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ উদ্যোগত অসম কৃষি বিশ্ববিদ্যালয় আৰু ভাৰতীয় বাণিজ্য আৰু ঔদ্যোগিক মহাসংঘৰ সহযোগত আয়োজিত ৰাষ্ট্ৰীয় কৃষি উদ্যান শস্য মেলাত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মেলাই আমাৰ নৱ প্ৰজন্মৰ খেতিয়কসকলক আধুনিক কৃষি পদ্ধতিৰ সৈতে পৰিচয় কৰাৰ সুযোগ প্ৰদান কৰিব আৰু ইয়ে তেওঁলোকক উৎসাহিত কৰিব। আমাৰ নতুন প্ৰজন্মৰ কৃষকসকলে এই মেলাৰ জৰিয়তে উন্নত পদ্ধতিৰে কৃষি কাৰ্যত নিয়োজিত হোৱা, বজাৰ ব্যৱস্থাৰ সৈতে সংযোগ স্থাপন আৰু প্ৰযুক্তিগত দিশত মূল্য সংযোজিত কৰাৰ বাবে জ্ঞান আহৰণ কৰিবলৈও সক্ষম হ'ব। ৰাজ্যখনৰ ৫৮ লাখ কৃষকক আগুৱাই নিয়াৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গ্ৰাম্য অৰ্থনৈতিক ব্যৱস্থা টনকিয়াল কৰাৰ জৰিয়তে ৰাজ্যখনক আগুৱাই নিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনত কৃষকৰ উৎপাদন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে যি লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে সেই লক্ষ্যত উপনীত হোৱাৰ বাবে আমাৰ কৃষকসকলে কঠোৰ পৰিশ্ৰমৰ দ্বাৰা উৎপাদন বৃদ্ধি কৰি উপাৰ্জন বৃদ্ধি কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজিত কৰি উন্নত মানদণ্ডৰ সামগ্ৰী প্ৰস্তুতৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰাৰ বাবে আমাৰ কৃষকসকলে প্ৰয়াস কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে কৃষি সন্মান নিধি, কৃষি সিঞ্চাই যোজনা, ছয়েল হেলথ্ কাৰ্ড, কে চি চিৰ দৰে কৃষক সমাজক উপকৃত হ'ব পৰাকৈ বহু আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে দেশৰ কৃষিখণ্ডৰ আন্তঃগাঁথনি টনকিয়াল কৰাৰ বাবে ১ লাখ কোটি টকাৰ পেকেজৰ কথা ঘোষণা কৰি ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এয়া খেতিয়কসকলৰ বাবে সুৱৰ্ণ সুযোগ। তেওঁ কয় যে ৰাজ্যৰ কৃষকসকলে উৎপাদন কৰা কৃষিজাত সামগ্ৰী এতিয়া ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী কৰিবলৈ সমৰ্থ হৈছে।

ৰাজ্যৰ কৃষকৰ বাবে এয়া এক শুভ লক্ষণ বুলিও তেওঁ কয়। কৃষিখণ্ডৰ বিকাশ সাধনৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা গুৰুত্ব আৰোপ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে ট্ৰেক্টৰ প্ৰদানৰ দৰে পদক্ষেপ গ্ৰহণ কৰা হৈছে। কৃষিখণ্ডত গ্ৰহণ কৰা পদক্ষেপসমূহৰ লক্ষ্যই হৈছে কৃষকৰ উপাৰ্জন বৃদ্ধি কৰা। ৰাজ্যৰ কৃষিখণ্ডৰ বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথাও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰে অসমক দক্ষিণ-পূব এছিয়াৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ় দিব বিচাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ কৃষকসকলে শ্ৰেষ্ঠতা প্ৰদৰ্শনৰ বাবে কাম কৰিব লাগিব। এক্ট ইষ্ট পলিচিৰ যোগেদি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ১৩ খন ৰাষ্ট্ৰৰ সৈতে যোগাযোগ সম্ভৱ হৈ উঠিছে। আমাৰ যুৱক-যুৱতীসকলে আত্মবিশ্বাস বৃদ্ধি কৰি দক্ষিণ-পূব এছিয়াৰ বজাৰ দখল কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

সভাত ভাৰ্চুৱেলী ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে কয় যে ৰাষ্ট্ৰীয় কৃষি উদ্যান শস্য মেলাই আন্তঃৰাষ্ট্ৰীয় ৰূপ গ্ৰহণ কৰিছে। এয়া অসমৰ কৃষকসকলৰ বাবে এক আনন্দৰ বতৰা। অসমত বিভিন্ন ধৰণৰ কৃষিজাত সামগ্ৰী উৎপাদন হয় বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনে কৃষিজাত সামগ্ৰী উৎপাদনৰ দিশত বিশ্বৰ এক হাব হিচাপে পৰিগণিত হ'বলৈ ধৰিছে। তেওঁ কয় যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ সফল ৰূপত ৰূপায়ণ কৰি আহিছে। অসমৰ সামগ্ৰীয়ে যাতে বিদেশৰ বজাৰ দখল কৰিব পাৰে সেই উদ্দেশ্যেৰে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। ভাৰত চৰকাৰে অসমৰ কৃষি খণ্ডৰ উন্নয়ন আৰু কৃষকৰ উৎপাদন বৃদ্ধিৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসমত দেশৰ ৫০ শতাংশ চাহ উৎপাদন হোৱাৰ লগতে ২৮ শতাংশ বাঁহ উৎপাদন হয়। অসমৰ কৃষকসকল উপকৃত হ'ব পৰাকৈ মেগাফুড পাৰ্ক স্থাপনৰ বাবে খাদ্য সংসাধন মন্ত্ৰালয়ে পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। ইয়াৰ ফলত অসমৰ আয় বৃদ্ধি পোৱাৰ লগতে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ কৃষকসমাজৰ বিকাশৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কেন্দ্ৰীয় চৰকাৰে কৃষক সমাজত উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথাও তেওঁ উল্লেখ কৰে। কৃষকসকলক ১৩ লাখ কোটি টকাৰ বেংক ঋণ প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। ক'ভিড-১৯ ৰ ফলত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছিল যদিও এই সময়ছোৱাত দেশৰ কৃষকসকলে উৎপাদন বৃদ্ধি কৰিবলৈ সক্ষম হৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কৃষি মন্ত্ৰী অতুল বৰাই কয় যে এই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মেলাখনৰ মূল উদ্দেশ্যে হ'ল বিশ্বৰ আধুনিক কৃষি কৌশলৰ প্ৰদৰ্শন, কৃষক আৰু কৃষি বিজ্ঞানীৰ মাজত ভাৱৰ আদান-প্ৰদান, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, ক্ৰেতা-বিক্ৰেতাৰ মাজত প্ৰত্যক্ষ মত-বিনিময়, কৃষক প্ৰশিক্ষণ, কৃষি তথা উদ্যান শস্যৰ লগত জড়িত বিভিন্ন প্ৰদৰ্শনী আদিৰ জৰিয়তে অসম কৃষক ৰাইজক বাণিজ্যিক কৃষিৰ প্ৰতি আকৃষ্ট কৰা। ৰাজ্যখনৰ প্ৰগতিশীল কৃষকসকলে এই মেলাৰ জৰিয়তে তেওঁলোকৰ অভিজ্ঞতা অন্য কৃষকৰ সৈতে মত-বিনিময় কৰাৰ সুযোগ লাভ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। তেওঁ কয় যে অসমৰ কৃষকে প্ৰতিযোগিতামূলক আৰু বজাৰ কেন্দ্ৰীক খেতিৰ প্ৰতি আকৰ্ষিত হ'ব লাগিব। কৃষিৰ জৰিয়তে অৰ্থনৈতিক স্বাৱলম্বিতা আহৰণৰ বাবে কৃষক সমাজে প্ৰয়াস চলাব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ


# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভা কক্ষৰ পৰা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰ্চুৱেলী ভাষণ প্ৰদান কৰাৰ সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী উপস্থিত থাকে। আনহাতে বোকাখাতত আয়োজিত এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ভৱেন ভৰালী, মৃণাল শইকীয়া, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ, কৃষি বিভাগৰ আয়ুক্ত সচিব আকাশ দ্বীপ, নাইজেৰিয়া, ঘানা, মঙ্গোলীয়া, ফিজি, ভূটান, কংগ'ৰ উচ্চায়ুক্তসকল, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দ্ৰ ডেকা আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱকুমাৰ, পশুপালন বিভাগৰ সচিব অশোক বৰ্মন, ইণ্ডোনেচিয়াৰ সচিব, ভিয়েটনামৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সত্ৰ মুৰব্বী, গোলাঘাট জিলাৰ উপায়ুক্ত বিভাষ মোদী, উদ্যান শস্যৰ সঞ্চালক আব্দুল জলিল, অসম বীজ নিগমৰ অধ্যক্ষ প্ৰবীণ হাজৰিকাৰ লগতে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাঃডেঃ / পুঃডেঃ / বঃভাঃ**
**২১/০১/২০২১**